# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 02-09-2026 **Time :** 1205 Hrs.

## Assamese Midday Bulletin

## Headlines

০০০০০০

## Headlines (02-09-2026) 12.05 Hrs.

১। আৰক্ষীত নতুনকৈ ১৫ ৰ পৰা ২০ হাজাৰ নতুন যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকা।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত  ছিংগাপুৰৰ প্ৰৱাসী অসমীয়া পৰীক্ষিত শৰ্মাৰ সাক্ষ্য গ্ৰহণ।

*আৰু*

৪। ডিব্ৰুগড়ত হত্যাৰ পৃথক পৃথক গোচৰত ৫ জন অপৰাধীক যাৱজ্জীৱন কাৰাদণ্ড।

০০০০০০

অনাগত সময়ত আৰক্ষীত ১৫ ৰ পৰা ২০ হাজাৰ নতুন যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দুদিনীয়া কাৰ্যসূচীৰে জেষ্ঠ্য আৰক্ষী অধীক্ষক সন্মিলনৰ আজি প্ৰথম দিনা দীক্ষান্ত সমাৰোহত অংশলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে।  অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া অসম আৰক্ষীৰ  ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলৰ বাবে আজিৰ দিনটো প্ৰাপ্তি আৰু গৌৰৱৰ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে আধুনিক নিৰাপত্তা সঁজুলি আৰু চাইবাৰ নিৰাপত্তাৰ ওপৰত এই আৰক্ষীসকলে প্ৰশিক্ষণ লাভ কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক আধুনিক প্ৰযুক্তিগতভাৱে সু-সজ্জিত কৰি তুলিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত সকলো শূন্য সহনশীল হব লাগিব। তেওঁ বহুবিবাহ, বাল্যবিবাহৰ বিৰুদ্ধে নিৰন্তৰে যুঁজ দিবলৈ অসম আৰক্ষীক আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত ড্ৰাগছৰ বিৰুদ্ধে যুঁজ অধিক শক্তিসালী কৰাৰ কথা ঘোষণা কৰে। অৰুণাচলৰ চাংলাৰে তিনিচুকীয়া হৈ ড্ৰাগচ সৰবৰাহৰ নতুন পথ গঢ় লৈ উঠা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া, ডিব্ৰুগড়, বৰাক, গোলাঘাট, শিৱসাগৰত আৰক্ষীক অধিক কঠোৰ হোৱাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কাৰ্বি আংলং, ডিমা হাচাও আৰু নগাঁৱত মাদক দ্ৰব্যৰ প্ৰৱেশ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।  অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

(বাইট) (চি.এম)

অনুষ্ঠানত দিয়া ভাষণত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে স্মাৰ্ট আৰক্ষী আৰু আদৰ্শ আৰক্ষী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শক্তিশালী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰশিক্ষণ সমাপ্ত কৰা এই আৰক্ষী কৰ্মীসকলে নতুন প্ৰযুক্তিৰে অপৰাধৰ বিৰুদ্ধে যুঁজ দিয়াৰ সুযোগ লাভ কৰিব।

(বাইট)

অনুষ্ঠানত পৰ্যটন, মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ আৰু  জেষ্ঠ্য আৰক্ষী বিষয়াসহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্মিলনত মাদক দ্ৰব্য সৰবৰাহ প্ৰতিৰোধক মূল বিষয় হিচাপে লোৱা হৈছে।

oooooooo

ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে সময়ে সময়ে কুৰিশু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত বাক্সা আৰু বৰপেটা জিলাৰ মাজেৰে বৈ যোৱা মানাহ আৰু বেকী নৈৰ জলস্তৰ বৃদ্ধি পাইছে। আমাৰ বাক্সা জিলাৰ সংবাদদাতাই জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰৰ উদ্ধৃতি দি প্ৰকাশ কৰা মতে মৰা পাগলাদিয়া, কালদিয়া, পহুমাৰা আৰু পাগলাদিয়া নৈৰ জলস্তৰ বৃদ্ধি পাই আছে। অৱশ্যে বেকী নৈৰ জলস্তৰ এতিয়াও সুস্থিৰ হৈ আছে।

বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জনোৱা মতে কালি জাৰি কৰা সতৰ্কতা এতিয়াও অব্যাহত আছে। বিভাগটোৱে নৈপৰীয়া অঞ্চলসমূহত বানৰ আশংকালৈ চাই নৈপৰীয়া লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ইপিনে, নাগালেণ্ডত হোৱা প্ৰবল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ বৃদ্ধি হোৱাত উজনিতো বানৰ আশংকাই দেখা দিছে। বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ সতৰ্কতা জাৰি কৰিছে।

শ্ৰীভূমি জিলাৰ দুৰ্লভপুৰ বজাৰঘাট আৰু মুৰাদপুৰ অঞ্চল জলমগ্ন হৈ পৰাৰ ফলত স্থানীয় ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। বানৰ আশংকাত অঞ্চলটোত প্ৰশাসনে সতৰ্কতা জাৰি কৰাৰ লগতে জনসাধাৰণক প্ৰশাসনৰ নিৰ্দেশনা অনুসৰণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

oooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত ছিংগাপুৰৰ প্ৰবাসী অসমীয়া পৰীক্ষিত শৰ্মাৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে। বৰ্তমান এই প্ৰক্ৰিয়া চলি আছে। যোৱাবছৰৰ ১৯ ছেপ্তেম্বৰত ছিংগাপুৰৰ সাগৰত সাঁতুৰিবলৈ গৈ জনতাৰ শিল্পী জুবিন গাৰ্গে প্ৰাণ হেৰুৱাইছিল। এই গোচৰ সংক্ৰান্তত জুবিন গাৰ্গৰ সৈতে য়টত থকা প্ৰবাসী অসমীয়াসকলক সাক্ষ্য প্ৰদানৰ বাবে ফাষ্টট্ৰেক আদালতলৈ তলব কৰা হৈছে। আজি প্ৰথমগৰাকী সাক্ষী হিচাপে পৰীক্ষিত শৰ্মাই সাক্ষ্য দিয়াৰ পাছত আন ১০ গৰাকী প্ৰবাসী অসমীয়াই সাক্ষ্য প্ৰদান কৰিব।

oooooooo

ডিব্ৰুগড় জিলা অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে হত্যাৰ পৃথক পৃথক অভিযোগত অভিযুক্ত ৫ জন অপৰাধীক আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে এজনক ৪ বছৰৰ সশ্ৰম কাৰাদণ্ড ৰায় দিছে। ৰায়দান কৰা গোচৰসমূহৰ ভিতৰত ডিব্ৰুগড় থানা চৌহদত সংঘটিত এটা নৃশংস হত্যাকাণ্ডৰ গোচৰত বিশেষ গুৰুত্ব সহকাৰে

লোৱা হয়। ডিব্ৰুগড় আৰক্ষীৰ কনিষ্টবল বিকি চেতিয়াই নিজৰ ছাৰ্ভিচ কাৰ্বাইনেৰে পত্নীক গুলীয়াই হত্যা কৰা গোচৰত চেতিয়াক যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে। আন চাৰিটা গোচৰত ৰাজীৱ চুংকাং, দিপু মেচ, চুক্ৰাম মূৰা আৰু ৰাজু চেতিয়া নামৰ লোককেইজনক আজীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে আন এটা হত্যাৰ চেষ্টাৰ গোচৰত পুতুল গড় নামৰ অভিযুক্তজনক ৪ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰা হৈছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে তামিলনাডুৰ মন্দিৰত নিৰ্যাতিনৰ বলি হোৱা জয়মালা নামৰ হাতীজনীকে ধৰি ৰাজ্যখনৰ বিভিন্ন মন্দিৰত বন্দী হৈ থকা অসমৰ মুঠ নটা হাতীৰ পুনৰ সংস্থাপনৰ বিষয়টো বিবেচনা কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত উচ্চক্ষমতা প্ৰাপ্ত সমিতিক নিৰ্দেশ দিছে। ন্যায়ালয়ে হাতী কেইটাক পুস্তি, চিকিৎসা আৰু অন্য মৌলিক সুবিধা নিশ্চিত কৰাৰ বাবেও তামিলনাডু চৰকাৰক নিদেৰ্শ দিছে। ২০২২ চনত তামিলনাডুৰ তিৰুকোভিল মন্দিৰত জয়মালা নামৰ হাতীজনীক মাউতে নিৰ্মমভাৱে প্ৰহাৰ কৰা এটা ভিডিঅ' পেটা ইন্দিয়াই মুকলি কৰাৰ পাছত সৃষ্টি হোৱা ৰাজহুৱা ক্ষোভৰ পৰিপ্ৰেক্ষিতত হাতীজনীক অসমলৈ ঘূৰাই অনাৰ বাবে ৰাজ্য চৰকাৰে সেইবছৰৰ ছেপ্তেম্বৰত গুৱাহাটী উচ্চ নায়্যালয়ত এখন আবেদন দাখিল কৰিছিলি। এই আবেদনৰ ভিত্তিত শেহতীয়াকৈ ন্যায়াধীশ দেৱাশীষ বৰুৱাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত উচ্চ ক্ষমতা প্ৰাপ্ত সমিতিৰ পৰা বিষয়টো সন্দৰ্ভত প্ৰতিবেদন বিচাৰিছে।

০০০০০০০

কোকৰাঝাৰৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ ডায়েলাছিছৰ ছটা গোট স্থাপনৰ বাবে বঙাইগাঁও শোধনাগাৰ আৰু বি টি চিৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। বি টি চিৰ অতিৰিক্ত মুখ্য সচিব প্ৰাণজিৎ ৰাৰি আৰু ভাৰতীয় তেল নিগম লিমিটেডৰ মহা প্ৰৱন্ধক মনসুখা বড়োৱে কালি বঙাইগাঁৱত ঢালিগাঁওস্থিত বি জি আৰ টাউনশ্বিপত এই চুক্তিত স্বাক্ষৰ কৰে। এই নতুন ডায়েলাইছিছ গোটকেইটাই বৃক্ক ৰোগৰ চিকিৎসা সুবিধা উন্নত কৰিব আৰু কোকৰাঝাৰ আৰু ইয়াৰ চৌপাশৰ অঞ্চলত ডায়েলাইছিছ সেৱা সহজলভ্য কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

অইনবাৰৰ দৰে এইবাৰো ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ ৪৩ সংখ্যক অভিৰুচী ক্ৰীড়া দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব অভিৰুচি ক্ৰীড়া দিৱসৰ আয়োজক সমিতিৰ অধ্যক্ষ বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে কালি এই কথা সদৰি কৰি কয়, যে ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ পুৱা ৬ বাজি ১৫ মিনিটত সামুহিক দৌৰ অনুষ্ঠিত হ'ব। ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, একালৰ তাৰকা খেলুৱৈ তৈবুননেচা, অভিনেতা যতীন বৰাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে এই সামুহিক দৌৰত অংশ ল'ব। অভিৰুচি ক্ৰীড়া দিৱসৰ দ্বিতীয় দিনা, নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত পৰহিলৈ পুৱা চাৰে ৯ বজাত আন্তঃ শিক্ষানুষ্ঠান পি টি আৰ নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একেটা স্থানতে বিয়লি চাৰে ৫ বজাত খেলুৱৈ আৰু ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনোৱা হ'ব।

০০০০০০০

কামৰূপ জিলাৰ পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবাৰ্ষিকী সামৰণি অনুষ্ঠান অহা ১২ আৰু ১৩ ডিচেম্বৰত অনুষ্ঠিত হ'ব। এই ঐতিহাসিক ক্ষণক চিৰস্মৰণীয় কৰি ৰখাৰ বাবে উদযাপন সমিতিয়ে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰিছে। এই স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে বিদ্যালয়খনৰ সৈতে জড়িত ইতিহাস, শিক্ষামূলক প্ৰৱন্ধ, কবিতা, চিন্তা চেতনামূলক নাইবা সৃষ্টিশীল লেখাৰ আহ্বান কৰা হৈছে। লেখাসমূহ এহেজাৰ ৫০০টা শব্দৰ ভিতৰত অসমীয়া বা ইংৰাজী ভাষাত লিখি অহা ১৫ ছেপ্তেম্বৰৰ ভিতৰত পোৱাকৈ স্মৃতিগ্ৰন্থ উপ-সমিতিলৈ পঠিয়াবলৈ কোৱা হৈছে। সবিশেষ তথ্যৰ বাবে ৯৭০৬৫-৭৭২৯২ আৰু ৮৮৭৬৯-৮৬৭৮৫ নম্বৰৰ সৈতে যোগাযোগ কৰিব পাৰে।

oooooooo

**সমাপ্ত**